# অসম আদিত্য

১৪ চ'ত, ১৯৪৫ শক ■ বৃহস্পতিবাৰ, ২৮ মাৰ্চ, ২০২৪ ■ Asom Aditya, Dibrugarh, Thursday, March 28, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


## ডিএইচএছ কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা

**ষ্টাফ ৰিপৰ্টাৰ, ২৭ মাৰ্চ ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, প্ৰাণীবিজ্ঞান বিভাগ, উদ্ভিদ বিজ্ঞান বিভাগ তথা আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, তিনিচুকীয়া মহাবিদ্যালয়ৰ যৌথ উদ্যোগত আৰু জুল'জিকেল ছ'চাইটি অৱ আছামৰ সহযোগত আজি এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত 'Competencies Development for Biodiversity Conservation' শীৰ্ষক বিষয়ত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে থাইলেণ্ডস্থিত মহিদল বিশ্ববিদ্যালয়ৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণ বিষয়ৰ প্ৰাক্তন প্ৰাধ্যাপক তথা কানৈ মহাবিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক পৰামৰ্শদাতা ৰমেশ জিম্ব বুনাৰত্ন। কানৈ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা কৰ্মশালাখনত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামীয়ে। অধ্যাপিকা ড০ চয়নিকা গোস্বামীৰ মঙ্গলাচৰণেৰে শুভাৰম্ভ হোৱা কৰ্মশালাখনত বন্তি প্ৰজ্বলন কৰে সমল ব্যক্তি ৰমেশ জিম্ব বুনাৰত্নই। মহাবিদ্যালয়ৰ মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন, এনচিচিৰ কেডেটে উষ্ম আদৰণি জনাই অনা কৰ্মশালাখনত বুনাৰত্নই কয়— বিদ্যালয় অথবা মহাবিদ্যালয়ৰ শিক্ষা শেষ কৰি লাভ কৰা এখন প্ৰমাণ-পত্ৰই ছাত্ৰ-ছাত্ৰীৰ দক্ষতা প্ৰমাণ নকৰে, প্ৰকৃত দক্ষতাৰ বাবে লাগিব গভীৰ আত্মবিশ্বাস। তেওঁ কয়— আমি বিদ্যালয় অথবা মহাবিদ্যালয়ত নামভৰ্তি কৰোঁ জ্ঞান আহৰণ আৰু দক্ষতা আহৰণৰ বাবে। আমি সেই জ্ঞান অথবা দক্ষতা আহৰণ কৰোঁ পাঠ্যক্ৰম অধ্যয়নৰ জৰিয়তে। এই পাঠ্যক্ৰমৰ পৰা লাভ কৰা জ্ঞান আৰু দক্ষতাৰ উপৰি আমি পাঠ্যক্ৰমৰ বাহিৰৰ বহু কথা কৰ্মশালা, বক্তৃতানুষ্ঠান আদিত অংশগ্ৰহণৰ জৰিয়তে আয়ত্ত কৰিব পাৰোঁ। আজি অনুষ্ঠিত হোৱা এই কৰ্মশালাৰ পৰা আমি বহু নজনা কথা শিকিব পাৰিম, যিয়ে আমাক ভৱিষ্যতৰ পৃথিৱীখনত আৰু এখোজ আগুৱাই যোৱাত সহায় কৰিব। কানৈ মহাবিদ্যালয়ে এনে এক প্ৰয়োজনীয় বিষয়ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা আয়োজন কৰাৰ বাবে তেওঁ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াকে প্ৰমুখ্য কৰি মহাবিদ্যালয় পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ দুটাকৈ কাৰিকৰী কাৰ্যসূচীত অংশ গ্ৰহণ কৰি অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলক বহুখিনি তত্ত্বগধুৰ বক্তব্য আগবঢ়োৱাৰ লগতে অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলৰ লগত এক প্ৰশ্নোত্তৰ শিতানতো অংশগ্ৰহণ কৰে। আন্তঃৰাষ্ট্ৰীয় কৰ্মশালাখনত কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ অনুপজ্যোতি ভৰালী, শৈক্ষিক সমন্বয়ক ড০ মৃদুল শৰ্মা, প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ সঞ্চিতা বৰুৱা, উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ অলকানন্দা বৰুৱা, পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক অংশুমান বৰঠাকুৰকে ধৰি মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থকাৰ লগতে তিনিচুকীয়া মহাবিদ্যালয়ৰ দুজনকৈ অধ্যাপক, ১১ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড০ সুদৰ্শনা বৰাই। উল্লেখ্য যে সমল ব্যক্তিগৰাকীয়ে ২৬ মাৰ্চত ডিব্ৰুগড়ত উপস্থিত হৈ কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগত এক মত-বিনিময় অনুষ্ঠানটো অংশগ্ৰহণ কৰে। এনে এক সুন্দৰ আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত কৰাৰ বাবে কানৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু তিনিচুকীয়া মহাবিদ্যালয় পৰিয়ালক কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।